# বন্দিতা ফুকনৰ 'সেউজীয়া ধৰণী' উপন্যাসত প্ৰতিফলিত সমাজ-বাস্তৱতা আৰু শিশু-মনস্তাত্বিক দিশ

**অৰ্চনা দেৱী**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়
Email: me.archanad@gmail.com

**সংক্ষিপ্তসাৰ**

বন্দিতা ফুকন সাম্প্ৰতিক অসমীয়া সাহিত্যৰ এগৰাকী প্ৰথিতযশা সাহিত্যিক। পেচাগতভাবে অভিযন্তা ফুকন একেধাৰে ঔপন্যাসিক, গল্পকাৰ, অনুবাদক, প্ৰাবন্ধিক, শিশু সাহিত্যিক; সৰ্বোপৰি বিজ্ঞান আৰু কল্পবিজ্ঞান বিষয়ৰ এগৰাকী বিখ্যাত লেখিকা। শিশু সাহিত্যিক হিচাপে বিশেষ খ্যাতি লাভ কৰা ফুকনৰ শিশু আৰু কিশোৰৰ কাৰণে আগবঢ়োৱা সাহিত্যৰাজিৰ মূল্যায়ণৰ প্ৰয়োজনীয়তা অতি গভীৰ। কিয়নো আজিৰ শিশু কাইলৈৰ দেশৰ ভৱিষ্যত। শিশু সকলক নৈতিক আৰু মূল্যবোধৰ শিক্ষা দিব পাৰে, চৌদিশৰ পৰিৱেশ আৰু সাহিত্য অধ্যয়নে। গতিকে যি সকল লেখকে শিশু সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰি কাম কৰি আছে, তেনে সাহিত্যৰ সঠিক মূল্যায়ণ হোৱাটো অতি প্ৰয়োজনীয়।

বন্দিতা ফুকনে শিশু আৰু কিশোৰৰ কাৰণে তিনিকুৰিৰো অধিক গ্ৰন্থ ৰচনা কৰিছে। ইয়াৰ ভিতৰত উপন্যাসৰ সংখ্যা সৰ্বাধিক। 'সেউজীয়া-ধৰণী' লেখিকাৰ অন্যতম জনপ্ৰিয় উপন্যাস। ২০১১ চনত এই উপন্যাসখনে সাহিত্য অকাডেমী বঁটা লাভ কৰিবলৈ সক্ষম হয়। উপন্যাসখনত ঔপন্যাসিকে সমাজ ব্যস্তবতাৰ দৃষ্টিকোণেৰে ভূমিস্খলন, প্ৰাকৃতিক গেছ, বায়ু প্ৰদূষণ, প্ৰকৃতিৰ প্ৰতি সচেতনতা, কল-কাৰখানাৰ পৰা নিৰ্গত ধোঁৱা, বন ধ্বংস আদি দিশসমূহ উত্থাপন কৰি সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছে। লগতে এনে বিষয়সমূহৰ প্ৰতি শিশু বা কিশোৰৰ কৰ্তব্য, দায়িত্ব আৰু সজাগতাৰ দিশত গুৰুত্ব আৰোপ কৰি দুয়োটা দিশৰ সুন্দৰ বাৰ্তা বহন কৰিছে।

গৱেষণা পত্ৰত এই দুয়োটা দিশৰ সামঞ্জস্যতা আৰু পৰিৱেশ প্ৰদূষণ সম্পৰ্কে মানুহৰ সচেতনতা, সৰ্বোপৰি শিশুসকলৰ মাজত জাগ্ৰত হোৱা সচেতনতাৰ দিশসমূহকো আগবঢ়ায়নিয়া হৈছে। সম্পূৰ্ণ গবেষণা পদ্ধতিৰ মাজেৰে আগবঢ়াই নিয়া-পত্ৰখনত মুখ্য সমল হিচাপে অনুভৱ পৰাশৰ দ্বাৰা সম্পাদিত 'বন্দিতা ফুকনৰ নিৰ্বাচিত শিশু উপন্যাস' নামৰ গ্ৰন্থক গ্ৰহণ কৰা হৈছে।

**সূচক শব্দঃ** বিজ্ঞান, পৰিৱেশ প্ৰদূষণ, ধৰণী, মনস্তত্ব, নৈতিকতা।